**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-12-2024 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

অসম মন্ত্ৰীসভাত নতুনকৈ অন্তৰ্ভুক্ত চাৰিগৰাকী মন্ত্ৰীক আজি দপ্তৰ বিতৰণ কৰা হ'ব। নতুন মন্ত্ৰীক দপ্তৰ বিতৰণ কৰাৰ লগতে মন্ত্ৰীসভাৰ পুৰণি কেইবাগৰাকীও মন্ত্ৰীৰ দপ্তৰ সাল-সলনি কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী শৰ্মাই আজি দিনৰ ১২ বজাৰ ভিতৰত দপ্তৰ বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিছে। আজি দপ্তৰ বিতৰণ কৰিবলগীয়া নতুন মন্ত্ৰীকেইগৰাকী হৈছে - প্ৰশান্ত ফুকন, কৌশিক ৰায়, কৃষ্ণেন্দু পাল আৰু ৰূপেশ গোৱালা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নতুন মন্ত্ৰীৰ শপত গ্ৰহণ হৈ যোৱাৰ পাছতে বৰ্তমানৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ হাতত থকা অতিৰিক্ত বিভাগসমূহ নতুন মন্ত্ৰী চাৰিগৰাকীক দিয়া হ'ব বুলি স্পষ্ট কৰি দিছে।

০০০০০০০

———ৰাজ্য চৰকাৰৰ অসম চুক্তি ৰূপায়ণ বিভাগৰ উদ্যোগত অসম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতিত কাইলৈ গুৱাহাটীত শ্বহীদ দিৱসৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত কাইলৈ দিনৰ ১০ বজাত আয়োজিত শ্বহীদ দিৱস অনুষ্ঠানত অসম আন্দোলনৰ শ্বহীদসকলক স্মৰণ কৰা হ'ব। এই অনুষ্ঠানতে অসম আন্দোলনৰ তথ্য কোষৰ ষষ্ঠ খণ্ডটো উন্মোচন কৰা হ'ব।

০০০০০০

গোলাঘাটৰ সৰুপথাৰ সম-জিলাত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১৯ কোটি টকা ব্যয়সাপেক্ষে বহুকেইটা প্ৰকল্প উদ্বোধন কৰিব। সেই অনুসৰি প্ৰায় ১৫ কোটি টকা ব্যয়সাপেক্ষে সৰুপথাৰ সম-জিলা অসামৰিক চিকিৎসালয় উদ্বোধন কৰা হ'ব। এই চিকিৎসালয়খনত ৯ টা বহিঃ বিভাগীয় কক্ষ, দুটা প্ৰসৱ কক্ষ, অস্ত্ৰোপচাৰ কক্ষ, নৱজাতকৰ বিশেষ যতন কক্ষ, জৰুৰীকালীন সেৱা কক্ষৰ লগতে অন্যান্য সুবিধাসমূহ থাকিব। অনুষ্ঠানত ২ কোটি টকা ব্যয়সাপেক্ষে সৰুপথাৰ গ্ৰাম্য ষ্টেডিয়াম আৰু সৰুপথাৰ ইন্দোৰ ষ্টেডিয়াম মুকলি কৰা হ'ব। ৪ হাজাৰ আসনযুক্ত এই গ্ৰাম্য ষ্টেডিয়াম এম জি এনৰেগাৰ বিত্তীয় সাহায্যৰে নিৰ্মাণ কৰা হৈছে। তদুপৰি প্ৰায় ২ কোটি টকা ব্যয়সাপেক্ষে সৰুপথাৰ ছুইমিংপুলৰ আধাৰশিলা স্থাপন কৰা হ'ব। অনুষ্ঠানত সৰুপথাৰ বিধানসভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকিব।

০০০০০০০

গদ্য সাহিত্যৰ জনক, কবিৰত্ন মহাপ্ৰভু দেৱ দামোদৰ দেৱৰ শিষ্য শ্ৰী শ্ৰী বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যৰ আজি ৪৬৬ সংখ্যক জয়ন্তী। ভাৰতীয় আঞ্চলিক ভাষাত পোনপ্ৰথম কথা-সাহিত্যৰ ৰচকগৰাকীক আজি সমগ্ৰ ৰাজ্যৰে সত্ৰ-নামঘৰসমূহৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে দিনজোৰা কাৰ্যসূচীৰে স্মৰণ কৰিব। এই উপলক্ষে ভাগৱত পাঠ, আয়তীৰ কীৰ্তন, নাম-প্ৰসংগ আদি ভালেমান কাৰ্যসূচী অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষজনাৰ আৱিৰ্ভাৱ তিথি উপলক্ষে মহান অসমীয়াগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জয়পুৰত ৰাইজিং ৰাজস্থান বিশ্ব বিনিয়োগ শীৰ্ষ সন্মিলন ২০২৪ উদ্বোধন কৰিব। জয়পুৰ প্ৰদৰ্শনী আৰু কনভেন্সন কেন্দ্ৰত আয়োজন কৰা এই তিনিদিনীয়া সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধনী ভাষণ দিব। প্ৰধানমন্ত্ৰীয়ে লগতে এই সন্মিলনত আয়োজন কৰা ৰাজস্থান বিশ্ব বাণিজ্য মেলাও উদ্বোধন কৰিব। সন্মিলনত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজন লাল শৰ্মাকে ধৰি বহুকেইগৰাকী কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকিব। তদুপৰি ৫ হাজাৰৰো অধিক ব্যৱসায় আৰু বাণিজ্য প্ৰতিনিধি, আগশাৰীৰ উদ্যোগপতি, কূটনীতিবিদ আৰু বিনিয়োগকাৰীসকলে এই সন্মিলনত অংশগ্ৰহণ কৰিব।

এই শীৰ্ষ সন্মিলনত অংশীদাৰ ৰাষ্ট্ৰ হিচাপে ১৭খন দেশকে ধৰি মুঠ ৩২খন দেশে ভাগ ল'ব।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে ভাৰত আৰু ন'ৰ্ৱেৰ মাজত ষ্টাৰ্টআপ সেঁতু মুকলি কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে। দুয়োখন দেশে ব্যৱসায়িক সম্পৰ্ক শক্তিশালী কৰাৰ বিভিন্ন উপায় সন্দৰ্ভত আলোচনা অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষতিত তেওঁ এই প্ৰস্তাৱ আগবঢ়ায়। শ্ৰীগোৱেলে উভয় দেশৰ মাজত দ্বিপাক্ষিক ব্যৱসায় আৰু বিনিয়োগ বৃদ্ধিৰ উদ্দেশ্য সংশ্লিষ্ট মন্ত্ৰ্যালয়সমূহৰ সৈতে সহযোগিতাৰে এই ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ সমূহীয়াভাৱে দূৰ কৰাৰ ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে। ভাৰতীয় উদ্যোগ মহাসংঘ চি আই আই-এ উদ্যোগ আৰু আভ্যন্তৰীণ বাণিজ্যিক প্ৰসাৰ বিভাগৰ উদ্যোগত মুম্বাইত আয়োজন কৰা ভাৰত-ন'ৰ্ৱে ব্যৱসায়িক মঞ্চত ভাষণ দি তেওঁ এইদৰে কয়। শ্ৰীগোৱেলে ভাৰতক বিশ্বৰ বিনিয়োগৰ এক আকৰ্ষণীয় কেন্দ্ৰ হিচাপে অভিহিত কৰে আৰু ন'ৰ্ৱেৰ কোম্পানীসমূহক আন্তঃৰাষ্ট্ৰীয় বজাৰৰ লাভ উঠাবলৈ ভাৰতত বিনিয়োগ কৰিবলৈ আহ্বান জনায়।

০০০০০০

ভাৰতীয় বেডমিণ্টন তাৰকা অশ্বিনী পোনাপ্পা আৰু টানিছা ক্ৰাষ্ট'ৰ যুটীয়ে কালি গুৱাহাটী মাষ্টাৰ্ছ ছুপাৰ হাণ্ড্ৰেড প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ খিতাপ দখল কৰে। যুটীটোৱে কেৱল ৪৩ মিনিটতে চীনৰ প্ৰতিদ্বন্দ্বী লী হুৱা ঝৌ আৰু ৱাং জী মেঙক ২১-১৮, ২১-১২ পোনপটীয়া গেমত পৰাস্ত কৰে। পেৰিছ অলিম্পিকত দেখুওৱা বেয়া প্ৰদৰ্শনৰ পাছত এই বিজয়ৰে ভাৰতীয় যুটীটোৱে শক্তিশালী প্ৰত্যাৱৰ্তন কৰিলে।

ইপিনে পুৰুষৰ একক শাখাত সতীশ কুমাৰ কৰুণাকৰণে চীনৰ ঝু ছুৱান চেনক ২১-১৭, ২১-১৮ গেমত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে ছুপাৰ হাণ্ড্ৰেড খিতাপ দখল কৰে। মহিলাৰ একক শাখাত ভাৰতৰ অনমোল খৰবে ৭৮ মিনিটজোৰা খেলখনত অলপৰ বাবে চীনৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাস্ত হয়। ইয়াৰ পূৰ্বে মালয়েছিয়াৰ ছিয়া ৰেইজি আৰু লুই চেং হাৱেই পুৰুষৰ ডাবলছ খিতাপ দখল কৰে।

০০০০০০

অষ্ট্ৰেলিয়া আৰু ভাৰতৰ মহিলা ক্ৰিকেট দলৰ মাজত চলি থকা এদিনীয়া শৃংখলাৰ কুইন্সলেণ্ডৰ ব্ৰীছবেনৰ এলেন ব'ৰ্ডাৰ ফিল্ডত অনুষ্ঠিত দ্বিতীয়খন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ১২২ ৰানত পৰাস্ত কৰে। ৩৭২ ৰানৰ বিজয় লক্ষ্যৰে খেলি ভাৰতীয় মহিলা দলটোৱে ৪৪ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৯ ৰান সংগ্ৰহ কৰে। এই জয়ৰ জৰিয়তে অষ্ট্ৰেলিয়া দলটোৱে তিনিখনীয়া আন্তঃৰাষ্ট্ৰীয় শৃংখলাটোত ২-০ৰ অগ্ৰগতি লাভ কৰিছে। খেলখনত অষ্ট্ৰেলিয়াই নিৰ্ধাৰিত ৫০ অভাৰত ৮টা উইকেট হেৰুৱাই ৩৭১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ জৰ্জিয়া ৱ'লে ৮৫টা বলত ১০১ ৰান সংগ্ৰহ কৰাৰ লগতে এলিছ পেৰীয়ে ৭৫টা বলত ১০৫ ৰান সংগ্ৰহ কৰে। এনাবেল ছাথাৰলেণ্ডে ৮ অভাৰ ৫টা বলত ৩৮ ৰানৰ বিনিময়ত ৪টা উইকেট দখল কৰে। ভাৰতৰ হৈ ৰীচা ঘোষে ৫৪ ৰান সংগ্ৰহ কৰে। শৃংখলাটোৰ অন্তিম মেচখন অহা ১১ ডিচেম্বৰত অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**